# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 22-03-2025
**Time :** 1340 hrs

ASSAMESE MIDDAY BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিশ্ব জল দিৱস উপলক্ষে পানী সংৰক্ষণ আৰু বহনক্ষম উন্নয়নৰ বাবে ৰাষ্ট্ৰৰ প্ৰতিশ্ৰুতি পুনৰবাৰ নিশ্চিত কৰিছে।

২। বিগত ১০ বছৰত চৰকাৰে ৰাজনৈতিক সদিচ্ছা আৰু প্ৰযুক্তিৰ ব্যৱহাৰেৰে ৰাষ্ট্ৰৰ নিৰাপত্তা ব্যৱস্থাক শক্তিশালী কৰি তুলিছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰ দিৱস উপলক্ষে বিহাৰৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

৪। ন্যায্য সীমা নিৰ্ধাৰণৰ প্ৰথমখন যুটীয়া কাৰ্যনিৰ্বাহক কমিটীৰ বৈঠক আজি পুৰা চেন্নাইত অনুষ্ঠিত হয়।

*আৰু*

৫। ভাৰতৰ শ্বাটলাৰ তৃষা জলী আৰু গায়ত্ৰী গোপীচান্দে ছুইজাৰলেণ্ডৰ বাছেলত অনুষ্ঠিত ছুইছ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ডাবলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিশ্ব জল দিৱস উপলক্ষে পানী সংৰক্ষণ আৰু বহনক্ষম উন্নয়নৰ বাবে ৰাষ্ট্ৰৰ প্ৰতিশ্ৰুতি পুনৰবাৰ নিশ্চিত কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে পানী সংৰক্ষণৰ গুৰুত্বপূৰ্ণ ভিডিঅ' এটা শ্বেয়াৰ কৰিছে। শ্ৰীমোদীয়ে কয় যে পানী হৈছে সভ্যতাৰ জীৱনৰেখা আৰু ভৱিষ্যৎ প্ৰজন্মৰ বাবে ইয়াক সুৰক্ষিত কৰি ৰখা উচিত।

ooooo

পানীৰ নাটনি বৰ্তমান এটা গোলকীয় চিন্তাৰ বিষয় হৈ পৰিছে বুলি কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলে মন্তব্য কৰে। আজি বিশ্ব জল দিৱস উপলক্ষে শ্ৰীপাটিলে কয় যে ভাৰতে এই প্ৰত্যাহ্বানক সুযোগলৈ ৰূপান্তৰ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীপাটিলে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে পানী সংৰক্ষণৰ বিষয়টো কেৱল মাত্ৰ এটা নীতি হিচাপে গণ্য নকৰি ইয়াক জন আন্দোলনলৈ তুলি ধৰিছে। মন্ত্ৰী শ্ৰীপাটিলে কয় যে জল জীৱন অভিযানৰ অধীনত কোটি কোটি লোকৰ ঘৰলৈ টেপযোগে পানী যোগান ধৰা হৈছে। অটল ভূ-জল আঁচনিৰ অধীনত পানীৰ স্তৰ তললৈ যোৱাৰ বাবে সজাগতা সৃষ্টি কৰাৰ লগতে অমৃত সৰোবৰ আঁচনিৰ অধীনত পানীৰ উৎসসমূহক নতুন জীৱন প্ৰদান কৰা হৈছে।

মন্ত্ৰীগৰাকীয়ে কয় যে এই বছৰৰ জল দিৱসৰ প্ৰতিপাদ্য বিষয় হৈছে **হিমবাহৰ সংৰক্ষণ**, যিয়ে প্ৰতিজন লোকক প্ৰকৃতিৰ ভাৰসাম্য বজাই ৰখা বিষয়টো সোঁৱৰাই দিয়ে। প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা আৰু সজাগতাইহে পানীৰ নাটনিৰ সমস্যাৰ স্থায়ী সমাধান আগবঢ়াব পাৰে। শ্ৰীপাটিলে জনসাধাৰণক প্ৰতি টোপাল

পানী সুৰক্ষিত কৰি ৰখাৰ লগতে ভাৰতক পানীৰ ক্ষেত্ৰত ভৱিষ্যত প্ৰজন্মৰ বাবে চহকী দেশ কৰি গঢ়ি তোলাৰ ক্ষেত্ৰত অৱদান আগবঢ়াবলৈ আহ্বান জনায়।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীল নীতি গ্ৰহণ কৰিছে বুলি পুনৰবাৰ দৃঢ়তাৰে প্ৰকাশ কৰে। ৰাজ্যসভাত কালি গৃহ পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ কাম-কাজ সন্দৰ্ভত হোৱা আলোচনাত এটা প্ৰশ্নৰ উত্তৰ দি শ্ৰীশ্বাহে কয়, যে বিগত ১০ বছৰত চৰকাৰে ৰাজনৈতিক সদিচ্ছা আৰু প্ৰযুক্তিৰ ব্যৱহাৰেৰে ৰাষ্ট্ৰৰ নিৰাপত্তা ব্যৱস্থাক শক্তিশালী কৰি তুলিছে। তেওঁ কয়, যে পূৰ্বে দেশে জম্মু-কাশ্মীৰৰ সন্ত্ৰাসবাদ, বাওঁপন্থী উগ্ৰবাদ আৰু উত্তৰ পূৰ্বাঞ্চলৰ বিদ্ৰোহ- এই তিনিটা গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা বাবে দেশৰ প্ৰগতি আৰু বিকাশত বাধাৰ সৃষ্টি হৈছিল। শ্ৰীশ্বাহে উল্লেখ কৰে যে চৰকাৰে এই আটাইবোৰ প্ৰত্যাহ্বানৰ সৈতে সুন্দৰভাৱে মোকাবিলা কৰিছে আৰু নৰেন্দ্ৰ মোদী চৰকাৰৰ নেতৃত্বতে সন্ত্ৰাসবাদ, নক্সালবাদ আৰু উগ্ৰবাদৰ অন্ত পৰিবলৈ গৈ আছে। তেওঁ কয়, যে ৩৭০ নম্বৰ অনুচ্ছেদ বাতিল কৰাৰ জৰিয়তে চৰকাৰখনে সংবিধান প্ৰণেতাসকলৰ **এখন সংবিধান, এখন পতাকা**ৰ সপোন পূৰ কৰিলে।

অহা বছৰৰ মাৰ্চৰ ভিতৰত দেশৰ পৰা নক্সালবাদ সম্পূৰ্ণৰূপে নিৰ্মূল কৰা হ'ব বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে নক্সাল প্ৰভাৱিত এলেকাসমূহত এতিয়া পথ যোগাযোগ ব্যৱস্থা আৰু ইণ্টাৰনেটৰ সুবিধা উপলব্ধ হোৱাৰ উপৰি নতুন বেংক আৰু এটিএম স্থাপন কৰা হৈছে। শ্ৰীশ্বাহে লগতে কয়, যে মোদী চৰকাৰ পুনৰ শাসনলৈ অহাৰ পাছত উত্তৰ-পূৰ্বাঞ্চলৰ সকলো সশস্ত্ৰ গোটৰ সৈতে আলোচনাত মিলিত হয়। ২০১৯ চনৰ পৰা বৰ্তমানলৈকে সশস্ত্ৰ গোটসমূহৰ সৈতে ১২ খন গুৰুত্বপূৰ্ণ শান্তিৰ চুক্তিত স্বাক্ষৰ কৰা হৈছে বুলি উল্লেখ কৰি গৃহমন্ত্ৰীগৰাকীয়ে ১০ হাজাৰ ৯০০ যুৱকে সশস্ত্ৰ সংগ্ৰাম পৰিহাৰ কৰি মূল সুঁতিলৈ উভতি আহিছে বুলি সদনক জানিবলৈ দিয়ে। শ্ৰীশ্বাহে লগতে দেশৰ সীমান্ত আৰু আভ্যন্তৰীণ সুৰক্ষা শক্তিশালী কৰাৰ স্বাৰ্থত প্ৰাণ হেৰুওৱা আৰক্ষী আৰু কেন্দ্ৰীয় অসামৰিক বাহিনীৰ হাজাৰ হাজাৰ জোৱানৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে।

মাদক দ্ৰব্য ৰোধৰ ক্ষেত্ৰত লাভ কৰা সফলতাৰ কথা উল্লেখ কৰি গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে বিগত ৫ বছৰত ১৪ হাজাৰ কোটি টকাতকৈও অধিক মূল্যৰ ২৩ হাজাৰ কিলোগ্ৰাম মাদক দ্ৰব্য ধ্বংস কৰা হৈছে। আফিঙৰ খেতি বিনষ্ট কৰা তথা মাদক দ্ৰব্যৰ ভয়াৱহতা ৰোধ কৰাৰ ক্ষেত্ৰত ড্ৰ'ন, কৃত্ৰিম উপগ্ৰহ আৰু আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ কৰা হৈছে বুলি শ্ৰীশ্বাহে জানিবলৈ দিয়ে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰ দিৱস উপলক্ষে বিহাৰৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে বিহাৰৰ প্ৰশংসা কৰি কয় যে অতীতৰে পৰা বিহাৰ জ্ঞান আৰু উন্নয়নৰ ভূমি বুলি পৰিগণিত হৈ আহিছে। শ্ৰীমতী মুৰ্মুৱে আশা প্ৰকাশ কৰে যে বিহাৰৰ জনসাধাৰণে এখন উন্নত বিহাৰ গঢ়ি তুলিবলৈ ধাৰাবাহিকভাৱে তেওঁলোকৰ বৰঙণি আগবঢ়াব আৰু প্ৰতিভা আৰু উচৰ্গাৰ মনোভাৱেৰে তথা কঠোৰ পৰিশ্ৰমেৰে ভাৰতক সমৃদ্ধিশালী কৰি গঢ়ি তুলিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিহাৰক নায়ক আৰু মহান ব্যক্তিত্বৰ পৱিত্ৰ ভূমি বুলি অভিহিত কৰিছে। তেওঁ কয় যে বিহাৰে বিভিন্ন গুৰুত্বপূৰ্ণ পৰ্যায়ৰ মাজেৰে আজি উন্নয়নৰ যাত্ৰাত চামিল হৈ ভাৰতৰ ইতিহাসক গৌৰৱান্বিত কৰিছে। শ্ৰীমোদীয়ে লগতে কয় যে কঠোৰ পৰিশ্ৰম আৰু প্ৰতিভাৰে বিহাৰৰ জনসাধাৰণে উন্নতিৰ পথত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। ভাৰতৰ সংস্কৃতি আৰু পৰম্পৰাৰ কেন্দ্ৰৰূপে গঢ়ি তুলিবলৈ বিহাৰৰ সৰ্বতোপ্ৰকাৰ উন্নয়নৰ বাবে কোনো ধৰণৰ সুৰুঙা ৰখা নহ'ব বুলিও প্ৰধানমন্ত্ৰীয়ে নিশ্চিত কৰে।

০০০০০

ন্যায্য সীমা নিৰ্ধাৰণৰ প্ৰথমখন যুটীয়া কাৰ্যনিৰ্বাহক কমিটীৰ বৈঠক আজি পুৱা চেন্নাইত অনুষ্ঠিত হয়। তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনে এই বৈঠকৰ সভাপতিত্ব কৰে। বৈঠকখনত কেৰালাৰ মুখ্যমন্ত্ৰী পিনাৰায় বিজয়ান, কৰ্ণাটকৰ উপ-মুখ্যমন্ত্ৰী বি কে শিৱকুমাৰ, পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত সিং মান আৰু তেলেংগানাৰ মুখ্যমন্ত্ৰী ৰেবনাথ ৰেড্ডী উপস্থিত থাকে। প্ৰথম পৰ্যায়ৰ আলোচনাত ফেডাৰেলিজম আৰু সীমা নিৰ্ধাৰণৰ বিষয়সমূহৰ ওপৰত আলোচনা কৰা হ'ব। উদ্বোধনী ভাষণত শ্ৰীষ্টেলিনে কয় যে কেন্দ্ৰই নিৰ্ধাৰণ কৰা সীমা নিৰ্ধাৰণৰ কাৰ্যসূচীয়ে গণতান্ত্ৰিক ফেডাৰেলিজম আৰু ৰাষ্ট্ৰৰ সম প্ৰতিনিধিত্বক ক্ষতিগ্ৰস্ত কৰিছে। তেওঁ পৰিস্থিতিৰ মূল্যায়নৰ বাবে এখন বিশেষজ্ঞ পৰিষদ গঠনৰ বাবে আহ্বান জনায়। ভাষণ প্ৰসঙ্গত কেৰালাৰ মুখ্যমন্ত্ৰী পিনাৰায় বিজয়ানে ৰাষ্ট্ৰৰ বৈচিত্ৰ্য ৰক্ষাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে।

০০০০০

কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চি বি আয়ে নয়দা ক্ৰীড়া মহানগৰ প্ৰকল্পৰ আৱণ্টন, উন্নয়ন আৰু অনুমোদনৰ ক্ষেত্ৰত হোৱা ব্যাপক খেলি-মেলিৰ অভিযোগত দিল্লী আৰু নয়দাৰ বিভিন্ন স্থানত অভিযান চলাইছে। এই সংক্ৰান্তত চি বি আয়ে বিভিন্ন কোম্পানী, ইয়াৰ সঞ্চালক আৰু বহু চৰকাৰী চাকৰিয়ালৰ বিৰুদ্ধে এলাহাবাদ উচ্চ ন্যায়ালয়ৰ নিৰ্দেশনাত তিনিটা গোচৰ ৰুজু কৰিছে। এই অভিযানৰ সময়ছোৱাত সংস্থাটোৱে আপত্তিজনক তথ্য, ডিজিটেল সাক্ষ্য প্ৰমাণ আৰু অন্যান্য সামগ্ৰী উদ্ধাৰ কৰিছে।

০০০০০

নামিবিয়াত নেটুম্বু নন্দী দ্বৈইতাই ৰাষ্ট্ৰখনৰ প্ৰথমগৰাকী মহিলা ৰাষ্ট্ৰপতিৰূপে শপত গ্ৰহণ কৰিছে। ৭২ বছৰীয়া নেত্ৰীগৰাকীয়ে বিগত বৰ্ষৰ নৱেম্বৰত অনুষ্ঠিত ৰাষ্ট্ৰপতি নিৰ্বাচনত ৫৮ শতাংশ ভোট লাভেৰে বিজয়ী হৈছিল। বিগত বৰ্ষৰ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰপতি হাহে গেইনগ'বৰ বিয়োগৰ পাছত অন্তৰৰ্তীকালীন ৰাষ্ট্ৰপতিৰূপে কাৰ্যভাৰ গ্ৰহণ কৰা নাংগোলা মুম্বাৰ উত্তৰসুৰী হিচাপে নেটুম্বু নন্দী দ্বৈইতাই কাৰ্যভাৰ গ্ৰহণ কৰিছে। ইয়াৰ পূৰ্বে ৰাষ্ট্ৰপতি গেইনগ'বৰ মৃত্যুৰ পাছত নেটুম্বু নন্দী দ্বৈইতাই উপ-ৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ চলাইছিল।

০০০০০

ভাৰতৰ শ্বাটলাৰ তৃষা জলী আৰু গায়ত্ৰী গোপীচান্দে ছুইজাৰলেণ্ডৰ বাছেলত অনুষ্ঠিত ছুইছ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ডাবলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। আজি ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৫ বাজি ১০ মিনিটত হ'বলগীয়া এই খেলখনত ভাৰতীয় যুটীটো পিপলছ্ ৰিপাব্লিক অব চাইনাৰ চেং শ্বু লিউ আৰু টেন নিঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কমনৱেল্থ গেমছৰ ব্ৰঞ্জৰ পদক বিজেতা তৃষা আৰু গায়ত্ৰীয়ে কালি অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত হংকং চাইনাৰ যুটী ইয়ুং না টিং আৰু ইয়ুং পুই লামক ২১-১৮, ২১-১৪ ছেটত পৰাস্ত কৰে। ইপিনে, পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ শংকৰ

সুব্ৰমণিয়ম ফ্ৰান্সৰ ক্ৰিষ্টো প'প'ভৰ হাতত ২১-১০, ২১-১৪ ছেটত পৰাজিত হয়। প্ৰতিযোগিতাৰ পৰা ইতিমধ্যে আটাইকেইগৰাকী ভাৰতীয় খেলুৱৈ বাহিৰ হৈছে।

০০০০০

ইণ্ডিয়ান প্ৰীমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ অষ্টাদশ সংস্কৰণ আজি আৰম্ভ হ'ব। কলকাতাৰ ইডেন গাৰ্ডেনছ ষ্টেডিয়ামত আজি সন্ধিয়া উদ্বোধনী খেলখন যোৱাবাৰৰ বিজয়ী কলকাতা নাইট ৰাইডাৰ্ছ আৰু ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ মাজত খেলোৱা হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। আজিৰ উদ্বোধনী অনুষ্ঠানত প্ৰসিদ্ধ গায়িকা শ্ৰেয়া ঘোষাল, পাঞ্জাবী গায়ক কৰণ ঔজলা আৰু বলীউদৰ অভিনেত্ৰী দিশা পাটানীয়ে অনুষ্ঠান পৰিৱেশন কৰিব। প্ৰতিযোগিতাত ১০টা দলৰ মাজত ৭৪ খন খেল অনুষ্ঠিত হ'ব।

ইপিনে আই পি এল আৰম্ভ হোৱাৰ পূৰ্বে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ, বিচিচিআইয়ে এই প্ৰতিযোগিতাৰ বাবে চাৰিটা বৃহৎ পৰিৱৰ্তন কৰিছে। পৰিষদৰ মুখ্য কাৰ্যালয়ত কালি দলসমূহৰ অধিনায়ক, প্ৰশিক্ষক আৰু প্ৰৱন্ধকসকলৰ সৈতে বিচিচিআইৰ এখন বৈঠকত সৰ্বসন্মতিক্ৰমে বলত লেলাৱতি লগোৱা কাৰ্যত অনুমতি দিয়া হয়। ক'ভিড মহামাৰীৰ সময়ত এই কাৰ্যত নিষেধাজ্ঞা আৰোপ কৰা হৈছিল। তদুপৰি সন্ধিয়াৰ ভাগত অনুষ্ঠিত খেলসমূহত কুঁৱলীৰ বাবে উৎপন্ন হোৱা প্ৰত্যাহ্বানসমূহ দূৰ কৰাৰ উদ্দেশ্যে পাছত বলিং কৰা দলে ১০ অভাৰৰ পাছত বল বদলোৱাৰ বাবে অনুৰোধ কৰিব পাৰিব। আম্পায়াৰেও দশম অভাৰৰ পাছত প্ৰয়োজন হ'লে বদলি কৰাৰ সিদ্ধান্ত ল'ব পাৰিব। এই প্ৰতিযোগিতাতে নতুন আচৰণ বিধি প্ৰযোজ্য হ'ব আৰু ৩৬ মাহলৈকে এই বিধি বাহাল থাকিব।

০০০০০

সমাপ্ত